ইয়াৰ সম্পূৰ্ণ তুলনাৰে ছবি এখনহে
পাঠকৰ সন্মুখত দাঙি ধৰিছে। লেখিকাই
সংশোধনৰ সুবিধাৰ্থে সামাজিক নৰকৰ মিথ্যাৰ
অন্তৰাল তুলি দিছে সেই অন্তৰাল
শোষিত, বঞ্চিতজনৰ হাতলৈ উঠি আহা
প্ৰতিবাদৰ সৰ্বশেষ অস্ত্ৰ হিচাপে তুলি
কি দেখুওৱা হৈছে।

(৬) উপন্যাসখনত ভাষা আৰু শব্দ
প্ৰয়োগৰ চমৎকাৰিতা মনকাঢ়িবলগীয়া।
চৰিত্ৰসমূহৰ লগত খাপ খুৱাই আৰু চৰিত্ৰ
অনুযায়ী [illegible] ভাষা প্ৰয়োগ কৰিছে।
মামণিয়ে ঠিক গোৱালপৰীয়া কামৰূপী উপভাষাৰ
শব্দকেই ঠুনুকি মৰিছে। উদাহৰণস্বৰূপে—
'উভতি আহাঁ কেৰেং' 'ধুনুটিয়াই খুৱাব'
লোৱেনা উকাটি মৰা আদি শব্দ।
ইয়াৰ উপৰিও অত্যাধুনিক বাক্যৰ প্ৰয়োগ
নাটকীয় সংলাপৰ ব্যৱহাৰ, উপমাৰ ব্যৱহাৰ
আদিও দেখা যায় উপন্যাসখনত।
যেনে— 'কিন্তু ঘৰ ঠিকিয়াই মুঠি মুঠি মুদ
চাউল চেমেৰাৰ দৰে প্ৰাণীবৰ পৰা সি
যেন তাইৰ অৰ্থনৈতিক মুঠি মুঠি চাউলে
ধৰিছিল' (উপমাৰ প্ৰয়োগ)।

(৭) বাস্তৱ জীৱনৰ পৰা বুটলি অনা
অভিজ্ঞতাবোৰ ড° গোস্বামীয়ে যে অকল
চাক্ষুষ দৃষ্টিৰে প্ৰত্যক্ষ কৰিছিল এনে নহয়,
গোন্ধ আৰু স্পৰ্শৰ দ্বাৰা সেই অভিজ্ঞতাক
তেওঁ আৰু পুষ্ট কৰি তুলিছিল। প্ৰকৃতি
জগতৰ সৰু-সুৰা বস্তুবোৰৰ প্ৰতি তেওঁ

সত্তে হুঁচি বসিছিল। 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত ঠাই পোৱা প্ৰাকৃতিক বস্তুবোৰ হ'ল- ডিমৰুৰ ফুল, চামেলী ফুল, সাপমীৰৰ ফেন, তুৰা মাছ, ডৌৰ ছাল, তিতামাৰ চাল, জাৰ্মান বন, অৰ্জুন গছৰ পাত, জাৰি পাত, মোথা বাহ, টোকোলো টকাইৰ বাহ, কুঁহিয়াৰৰ সিঠা আদি।

(৮) উপন্যাসখনত মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱে মন কৰিবলগীয়া। উপন্যাসখনত শ্ৰমিকসকলক শোষিত শ্ৰমজীৱি শ্ৰেণীৰ প্ৰতিভূ আৰু কোম্পানীৰ প্ৰধান বিষয়া আৰু লোকেল লীডাৰ মাহেশ্বৰী মহোদয়ক শোষণকাৰী বুৰ্জোৱা শ্ৰেণীৰ প্ৰতিভূ হিচাপে চিহ্নিত কৰা হৈছে।

(৯) উপন্যাসখনত প্ৰেম আৰু যৌন বৰ্ণনাই বিশেষ বিস্তৃতি লাভ কৰিছে। মহেশ্বৰী, লখিমনী আৰু কোম্পানীৰ চাহাবসকলৰ চৰিত্ৰৰ সংযোগত প্ৰেম আৰু যৌনতাৰ ছবি প্ৰতিফলিত হৈছে।

(১০) উপন্যাসখনিত লেখিকাই সমাজৰ দলিত, নিষ্পেষিত জাতি ছইমাৰসকলক সাহিত্যত মাজলৈ টানি আনিছে। হৰিজন সকলৰ জীৱন চৰ্যাৰ বিভিন্ন দিশ আলোকিত কৰাৰ উদ্দেশ্যে লেখিকাই সিহঁতৰ জীৱন পৰিক্ৰমাৰ অন্তৰ্গত পূজা-পাৰ্বন, ৰীতি-নীতি, আচাৰ ব্যৱহাৰ আদিৰ উপন্যাসখনত স্পষ্টভাৱে তুলি ধৰিছে।

ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই উপন্যাস খন সম্পৰ্কে মন্তব্য দিছে যে 'মামনি ৰয়ছম গোস্বামীৰ 'মামৰে ধৰা তৰোৱাল' পঢ়ি আতাই মই ক্ষেত্ৰত বাস্তৱৰ নিৰ্মম সুৰ শুনা পাইছোঁ,

এনে সুরে ছোমোরো 'কর্নেলটের' পোবিব ছেলেবেলো
দিয়েনে কপাই তুলিছে। বাস্তবতা এচেন বলিষ্ঠ
আঙ্কে নির্দেশ প্রকাশ 'উপন্যাসমনিত' হাতে
ধাবির পেরুয়েটো অতিশয় তাৎপর্য্যপূর্ণ শ্রেষ্ঠ
ছবি।

সাতিকে ছেদেয়ে মজা সে সোম্যানীর
মামরে বিষা তলোয়াল' এমনি উৎকৃষ্ট
উপন্যাস॥

* * *